অধ্যায় ৬ : গদ্যকাৰ লীলা গগৈ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ লীলা গগৈৰ জীৱন আৰু কৃতি
৬.৩.১ লীলা গগৈৰ গদ্যশৈলীৰ বৈশিষ্ট্য
৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৫ অধিক জানিবলৈ
৬.৬ অগ্রগতিৰ খতিয়ান
৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লীলা গগৈৰ জীৱন আৰু সাহিত্যিকি অৱদানৰ সৈতে পৰিচিতি হ'ব।
- লীলা গগৈৰ গদ্যশলীৰ মুখ্য বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব। তেওঁৰ গদ্যৰ বিষয়বস্তু, ভাষাশৈলী, শব্দচয়ন আৰু প্ৰকাশভংগীৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি বাণীকান্ত কাকতৰি ''অংকীয়া ভাওনা'' শীৰ্ষক প্ৰবন্ধটোৰ মূল বিষয়বস্তু আৰু আলোচনা লাভ কৰিলে। এই অধ্যায়টোত লীলা গগৈৰ জীৱন আৰু কৃতি তথা সাহিত্যিকি হিচাপে তেওঁৰ কৃতিত্বৰ বিষয়ে আলোকপাত কৰা হ'ব। লীলা গগৈ অসমীয়া সাহিত্যিৰ এজন বিশিষ্ট গদ্যকাৰ, বুৰঞ্জীবিদি আৰু লোকসংস্কৃতিবিদি আছিলি। তেওঁৰ গদ্যশলৈী সহজ-সৰল, প্ৰাঞ্জল আৰু নভিাঁজ অসমীয়া ভাষাৰ প্ৰয়োগৰে সমৃদ্ধ। লোকজীৱন, লোকসংস্কৃতি আৰু অসমৰ সমাজ-সংস্কৃতৰি বাস্তৱ চিত্ৰি তেওঁৰ গদ্যত সুন্দৰভাৱে প্ৰতফিলতি হছৈে। জতুৰা ঠাঁচ, প্ৰবাদ-প্ৰবচন আৰু লোকভাষাৰ সাৰ্থক ব্যৱহাৰে তেওঁৰ গদ্যক সজীৱ আৰু আকৰ্ষণীয় কৰি তুলছি।

ইয়াৰ পৰৱৰ্তী অধ্যায়ত আপোনালোকে লীলা গগৈ বচিত "সমন্বয়ৰ সংস্কৃতি অসমীয়া" শীৰ্ষক নবিন্ধটোৰ মূল বিষয়বস্তুৰ লগতে সাধাৰণ আলোচনা লাভ কৰবি পাৰবি।

৬.৩ লীলা গগৈৰ জীৱন আৰু কৃতি

অসমৰ সংস্কৃতি শীৰ্ষক পুথৰি লখিক লীলা গগৈ আছলি একাধাৰে কবি, ঔপন্যাসকি, লোকসংস্কৃতবিদি, প্ৰবন্ধকাৰ, শশিু সাহিত্যকি, বুৰঞ্জীবদি, সু-সম্পাদক, অনুবাদক। সাহিত্যিৰ এনে এটা দশি নাই য'ত তেওঁ হাত দয়িা নাছলি। অসমীয়া ভাষাৰ জঁতুৰা প্ৰয়োগৰে

সাহত্যিৰাজি ব্যঞ্জনাময় কৰি সংস্কৃতি-সাহত্যিৰ-ইতিহাসৰ ৰসাল কথা কোৱা লীলা গগৈৰ অসমীয়া সাহত্যি-সংস্কৃতিৰ অৱদান উল্লেখযোগ্য।

এইজনা অসমপ্ৰাণ ব্যক্তিৰ জন্ম হছৈলি ১৯৩০ চনৰ ২৫ নবম্বেৰৰ তাৰখিৰে, বুৰঞ্জী প্ৰসদ্ধি শৰিসাগৰ জলিৰ চৰেকোপাৰৰ হাতীমূৰীয়া গাঁৱত। তওঁৰ পতিৃৰ নাম আছলি ধনীৰাম গগৈ আৰু মাতৃ কমলা গগৈ। তওঁৰ শক্ষিা জীৱন আৰম্ভ হয় শৰিসাগৰত। শৰিসাগৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯৫০ চনত প্ৰথম বভিাগত তওঁ প্ৰৱশেকিা পৰীক্ষাত উত্তীৰ্ণ হয়। কন্তিু ঘৰুৱা অসুবধিাৰ কাৰণে তাৰ পাছতহৈে তওঁ শৰিসাগৰ নগৰ উচ্চ মাধ্যমকি বদি্যালয়ত সহকাৰী শক্ষিক হচিাপে কৰ্মজীৱনৰ পাতনি মলে। ১৯৫৪ চনত তওঁ পূৰ্বৰ চাকৰি এৰি থৈ আহি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বভিাগত গৱষেক হচিাপে যোগদান কৰ। ইয়াতহৈে তওঁ বভিাগৰ সঞ্চালক হচিাপে সূৰ্য্য কুমাৰ ভূঞাৰ সান্নধি্য লাভ কৰ। উল্লখেযোগ্য যে সমসাময়কি সময়ত তওঁ সমান্তৰালভাৱে নতুন অসমীয়া কাকতখনৰো সম্পাদনাৰ বভিাগত যোগদান কৰ। ঘৰুৱা অসুবধিাৰ বাবে কৰ্মজীৱনৰ পাতনি মলেলিওে তওঁৰ শক্ষিাগ্ৰহণৰ স্পৃহা শষে হোৱা নাছলি বা কৰ্মি যোৱা নাছলি। সয়ে প্ৰাইভটেকৈ পৰীক্ষা দি ১৯৫৮ চনত গুৱাহাটী বশি্ববদি্যালয়ৰ পৰা স্নাতক উপাধী লাভ কৰ। পৰৱৰ্তী সময়ত পুনৰ শৰিসাগৰলৈ উভতি গৈ ১৯৬০ চনত শৰিসাগৰ নগৰ উচ্চ মাধ্যমকি বদি্যালয়ত প্ৰধান শক্ষিক হচিাপে পুনৰ কাৰ্যভাগ গ্ৰহণ কৰ।

তওঁ ১৯৬২ চনত প্ৰাইভটেকৈ গুৱাহাটী বশি্ববদি্যালয়ৰ পৰা অসমীয়া বভিাগৰ স্নাতকোত্তৰ উপাধি লাভ কৰে আৰু ১৯৬৪ চনত পূৰ্বৰ চাকৰি এৰি শৰিসাগৰ মহাবদি্যালয়ৰ অসমীয়া বভিাগৰ অধ্যাপক হচিাপে যোগদান কৰ। পৰৱৰ্তী সময়ত তওঁ ডবি্ৰুগড় বশি্ববদি্যালয়ৰ অসমীয়া বভিাগৰ প্ৰৱক্তা হচিাপে যোগদান কৰে ১৯৬৮ চনত। ইয়াৰ মাজতে তওঁ ১৯৬৫ চনত চন্দ্ৰপ্ৰভা গগৈৰ সতৈে যুগ্ম জীৱনৰ পাতনি মলে। ডবি্ৰুগড় বশি্ববদি্যালয়ৰ পৰা ১৯৮২ চনত অসমীয়া বুৰঞ্জী-সাহত্যিৰ সমালোচনাত্মক অধ্যয়ন শীৰ্ষক বষিয়ে কৰা গৱষেণাৰ বাবে সন্মানীয় ডক্টৰটে উপাধি লাভ কৰ। এই বছৰইে তওঁ অসম সাহত্যি সভাৰ বঙাইগাঁও অধৱিশেনৰ বুৰঞ্জী শাখাৰ আলোচনাৰ সভাপতি হচিাপওে নৰ্বিাচতি হয়। উল্লখেযোগ্য যে, এই বছৰতইে তওঁ *অসমৰ সংস্কৃতি* শীৰ্ষক গ্ৰন্থখনৰ বাবে অসম সাহত্যি সভাৰ 'সীতানাথ ব্ৰহ্ম চৌধুৰী বঁটা' লাভ কৰ। লীলা গগৈ আছলি অসম সাহত্যি সভাৰ এজন আজীৱন সদস্য। ১৯৭৮ চনতে অসম সাহত্যি সভাৰ প্ৰধান সম্পাদক হচিাপে তওঁ নৰ্বিাচতি হছৈলি আৰু একৰোহে দুটা বছৰৰ বাবে সইে পদত কাৰ্যনৰ্বিাহ কৰছিলি। লীলা গগয়ৈে ১৯৯৪ চনৰ অসম সাহত্যি সভাৰ মৰগিাঁও অধৱিশেনৰ সভাপতৰি আসনো অলংকৃত কৰছিলি।

লীলা গগয়ৈে ডবি্ৰুগড় বশি্ববদি্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি আৰু সমন্বয় সমতিৰি সচবি হচিাপে বহু বছৰ কাৰ্যনৰ্বিাহ কৰছিলি। ১৯৮৬ চনৰ পৰা অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বভিাগৰ সঞ্চালক হচিাপওে তনিি বছৰ কাল কাৰ্যনৰ্বিাহ কৰা এইজনা অসমীয়া সাহত্যি-সংস্কৃতিৰ সাধকৰ ১৯৯৪ চনৰ জুলাই মাহৰ ২৩ তাৰখিে হৃদৰোগজনতি অসুখত পৰলোকপ্ৰাপ্তি ঘট।

অসমীয়া সংস্কৃতকি হৃদয়ংগম কৰি সাহত্যি ৰচনাত ব্ৰতী হোৱা লীলা গগৈৰ গ্ৰন্থ সম্ভাৰ আমি কইেবাটাও শাখাত বভিক্ত কৰবি পাৰোঁ। যথা – **(ক)** বুৰঞ্জী বষিয়ক – *বুৰঞ্জীয়ে পৰশা নগৰ* (১৯৫৭), *হৰেুৱা দনিৰ কথা* (১৯৫৭), *শৰাইঘাট যুদ্ধৰ কথা* (১৯৭৭), *বলেি মাৰ গ'ল* (১৯৮৩), *বুৰঞ্জী সাহত্যি* (১৯৮৮), *বুৰঞ্জীয়ে কথা কয়* (১৯৯১), *বুৰঞ্জীৰ ৰূপৰখো* (১৯৯৪); **(খ)** সংস্কৃতি বষিয়ক – *আহোম জাতি আৰু অসমীয়া সংস্কৃতি* (১৯৬১),

বহু এটি সমীক্ষা (১৯৬৯), *টাই সংস্কৃতিৰ ৰূপৰেখা* (১৯৭১), *সাহিত্য-সংস্কৃতি ৰুৰঞ্জী* (১৯৭২), *অসমৰ সংস্কৃতি* (১৯৮২); **(গ)** উপন্যাস – *ডকাইত কোঁন* (১৯৫৭), *সৰগৰ মুকুতা* (১৯৫৭), *নীলা খামৰ চিঠি* (১৯৬৩), *নৈ বৈ যায়* (১৯৮৩); **(ঘ)** গীত আৰু কবিতা – *গীতি মালঞ্চ* (১৯৬৪), *সোণালী* (১৯৭৮), *জোনাকৰ গীত* (১৯৭৯), *জৰি জৰি সোৱণশৰি* (১৯৯৪); **(ঙ)** শিশু সাহিত্য – *সোণতৰা* (১৯৫৪), *খৰা শিয়ালৰ বিয়া* (১৯৫৪), *পোনাকণৰ সপোন* (১৯৫৫), *অনুপম কোঁৱৰৰ সাধু* (১৯৫৯), *লাচিত বৰফুকন* (১৯৬২), *বংমনৰ কথা* (১৯৬৩), *জয়মতী কুঁৱৰী আৰু মূলা গাভৰু* (১৯৬৩), *ভাৰতৰ কথা* (১৯৭২); **(চ)** ৰম্য ৰচনা– *কপলিং ছগিা বলে* (১৯৫৯), *বিয়ৈৰিং চিঠি* (১৯৭৬), *বৃকোদৰ বৰুৱাৰ বিয়া* (প্ৰথম খণ্ড, ১৯৭৭), *বৃকোদৰ বৰুৱাৰ বিয়া* (দ্বিতীয় খণ্ড, ১৯৭৭), *বশিষে কি লিখিমি* (১৯৭৮), *ঘৰেঘৰী বাহ* (১৯৮১), *মুকলি চিঠি* (১৯৮৬), *হাঁহী আৰু বাঁহী* (১৯৮৫); **(ছ)** সম্পাদতি পুথি– *অসমীয়া সংস্কৃতি* (১৯৬৬), *অসমীয়া গ্ৰন্থপঞ্জী* (১৯৭২), *কুমৰ হৰণ* (১৯৭২), *কালিয় দমন* (১৯৭২), *মণিৰাম দৱোনৰ গীত* (১৯৫৭), *অসমীয়া লোকগীত* (১৯৫৭), *বহুগীত আৰু বনঘোষা* (১৯৬৯), *চোৰধৰা* (১৯৭২), *অশ্বকৰ্ণ বধ* (১৯৭৩), *যতীন্দ্ৰনাথ দুৱৰা: কবি আৰু কবি প্ৰতিভা* (১৯৮৭), *আধুনিকি অসমীয়া সাহিত্যিৰ পৰিচয়* (১৯৮৮); **(জ)** অন্যান্য বিষয়ক– *সীমান্তৰ মাটি আৰু মানুহ* (১৯৬৩), *জোনবাই এ তৰা এটি দিয়া* (১৯৬৮), *সাহিত্য দুটামান আলোচনা* (১৯৮৩), *চিনিতাৰ সুবাক্যৰ* (১৯৯২); **(ঝ)** অনূদতি গ্ৰন্থ – *বংগৰ লোক-কথা* (১৯৮৩); **(ঞ)** ইংৰাজী ভাষাত লিখা গ্ৰন্থ – *The Tai-Khamtis of North-East India* (১৯৭১), *The Buranjis: Historical Literature of Assam* (১৯৮৬), *The History of the System of Ahom Administration* (১৯৯১) ইত্যাদি।

মন কৰিবলগীয়া যে, *বলে মাৰ গ'ল* শীৰ্ষক কিতাপখনৰে লীলা গগয়ৈে অসমীয়া সাহিত্যত বুৰঞ্জী লিখাৰ নতুন বাট এটা কাটি দিছিলি বুলি সমালোচকসকলে মন্তব্য কৰে। লীলা গগৈৰ ৰচনাশলৈীত আমি নিভাঁজ অসমীয়া ভাষাৰ প্ৰয়োগ কৰা দেখিবলৈ পাওঁ। চুটি চুটি বাক্যৰে নিজৰ বক্তব্য প্ৰকাশ কৰিবলৈ যত্ন কৰা লীলা গগয়ৈে পৰাপক্ষত তিসম শব্দ পৰিহাৰ কৰি সহজ-সৰল, গাঁৱলীয়া সমাজত ব্যৱহাৰ কৰা শব্দমালা প্ৰয়োগ কৰি তেওঁৰ সাহিত্যৰাজি সৃষ্টি কৰিছে। শৰিসাগৰীয়া কথ্য ভাষাত অভ্যস্ত গগয়ৈে তেওঁৰ সৃষ্টিশীল ৰচনাৰোৰত সৈে ভাষাটোকেই গ্ৰহণ কৰিছে। এক কথাত ক'ব পাৰি অসমীয়া ভাষাৰ কালকিা সাৰ্থকভাৱে অনুধাৱন কৰি ভাষাৰ জতুঁৰা প্ৰয়োগত অধকি গুৰুত্ব প্ৰদান কৰিছিলি।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ : লীলা গগয়ৈে কোঁনখন গ্ৰন্থৰ বাবে অসম সাহিত্য সভাৰ 'সীতানাথ ব্ৰহ্ম চৌধুৰী বঁটা' লাভ কৰে?

.....

....

প্ৰশ্ন নং ২ : অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক হিচাপে লীলা গগয়ৈ কেতিয়াৰ পৰা কমিান দনি কাব্যনৰ্বিাহ কৰিছিলি?

.....

৬.৪ লীলা গগৈৰ গদ্যশৈলীৰ বৈশিষ্ট্য

অসমীয়া সাহিত্যিৰ ইতিহাসত লীলা গগৈ এজন বহুমুখী প্ৰতিভাৰ সাহিত্যিকি হিচাপে বিশেষভাৱে পৰিচিতি। তেওঁ একাধাৰে কবি, ঔপন্যাসকি, লোকসংস্কৃতিৰ গৱেষক, শিশু-সাহিত্যিকি, বুৰঞ্জীবিদ, প্ৰবন্ধকাৰ আৰু হাস্যৰসাত্মক সাহিত্যিৰ স্ৰষ্টা। সাহিত্যিৰ বিভিন্ন শাখাত তেওঁৰ অৱদান উল্লেখযোগ্য যদিও গদ্যকাৰ হিচাপে তেওঁৰ স্থান বিশেষ গুৰুত্বপূৰ্ণ। লীলা গগৈৰ গদ্যশলৈীত অসমৰ মাটি, মানুহ, সংস্কৃতি আৰু জীৱনদৰ্শনৰ এক জীৱন্ত প্ৰতিফলন দেখা যায়। তেওঁৰ গদ্য সহজ-সৰল, সৰস, হৃদয়স্পৰ্শী আৰু তথ্যসমৃদ্ধ। ভাষাৰ প্ৰাঞ্জলতা, লোকজীৱনৰ নিবিড় চিত্ৰণ আৰু সংস্কৃতি চেতনাই তেওঁৰ গদ্যক স্বকীয় মৰ্যাদা প্ৰদান কৰিছে।

লীলা গগৈৰ গদ্যৰ অন্যতম বৈশিষ্ট্য হ'ল ভাষাৰ সহজতা আৰু স্বাভাৱিকিতা। তেওঁ কেতিয়াও অতি জটলি বা দুৰ্বোধ্য ভাষাৰ আশ্ৰয় লোৱা নাছিল। সকলো শ্ৰেণীৰ পাঠকে সহজে বুজিব পৰা শব্দ আৰু বাক্যৰ জৰিয়তে তেওঁ নিজৰ বক্তব্য প্ৰকাশ কৰিছিল। তেওঁৰ ভাষা কৃত্ৰিমিতামুক্ত আৰু স্বাভাৱিকি। এই স্বাভাৱিকিতাই তেওঁৰ গদ্যক অধিক জনপ্ৰিয় আৰু গ্ৰহণযোগ্য কৰি তুলিছে। পাঠকে তেওঁৰ ৰচনা পঢ়োঁতে কোনো ধৰণৰ ভাষাগত বাধাৰ সন্মুখীন নহয়; বৰঞ্চ এক সহজ-সৰল ধাৰাত বিষয়বস্তুৰ গভীৰতা উপলব্ধি কৰিব পাৰে।

লীলা গগৈৰ গদ্যত অসমৰ লোকজীৱন আৰু লোকসংস্কৃতিৰ গভীৰ প্ৰতিফলন দেখা যায়। লোকসংস্কৃতিৰ গৱেষক হিচাপে তেওঁ অসমৰ গ্ৰাম্য সমাজ, লোকবিশ্বাস, আচাৰ-অনুষ্ঠান, উ□সৱ-পাৰ্বণ, পৰম্পৰা আৰু সামাজকি জীৱনৰ বিভিন্ন দশি নিবিড়িভাৱে অধ্যয়ন কৰিছিল। সেই অভজি্ঞতাৰ প্ৰতিফলন তেওঁৰ গদ্যত সুস্পষ্টভাৱে পৰিলক্ষিত হয়। তেওঁৰ ৰচনাৰ মাজত অসমীয়া জাতিৰ সাংস্কৃতকি ঐতিহ্য, সামাজকি মূল্যবোধ আৰু জীৱনদৰ্শনৰ এক বাস্তৱ আৰু জীৱন্ত ছবি ফুটি উঠা লক্ষ্য কৰিব পাৰি। এই দিশৰ পৰা তেওঁৰ গদ্যসমূহ কেৱল সাহিত্যিকি ৰচনা নহয়, বৰঞ্চ অসমীয়া সংস্কৃতিৰ মূল্যৱান দলিলি বুলিও ক'ব পাৰি। লগতে তেওঁৰ গদ্যত নিভাঁজ অসমীয়া শব্দ আৰু লোকভাষাৰ সজীৱ ব্যৱহাৰ দেখা যায়। অসমীয়া জনজীৱনত প্ৰচলতি ঘৰুৱা শব্দ, জতুৱা ঠাঁচ, প্ৰবাদ-প্ৰবচন, খণ্ডবাক্য, ফকৰা-যোজনা আদিৰ সফল প্ৰয়োগে তেওঁৰ গদ্যক সমৃদ্ধ কৰি তুলিছিল। যিয়ে তেওঁৰ গদ্যক এক স্বাভাৱিকি মাধুৰ্য আৰু সজীৱতা দানৰ লগতে পাঠকৰ মনত আত্মীয়তাবোধ গঢ়ি তোলাত সহায়ক। তেওঁৰ শব্দচয়ন আৰু বাক্যগঠনৰ ক্ষেত্ৰেতো বিশেষ পাৰদৰ্শিতা লক্ষ্য কৰা যায়। বিষয়বস্তুৰ প্ৰয়োজন অনুসৰি তেওঁ চুটি আৰু দীঘল বাক্যৰ সমন্বয় ঘটাইছে। তেওঁৰ বাক্যসমূহ সংযত, অৰ্থবহ আৰু মিতিব্যয়ী। উপমা, ৰূপক, চিত্ৰকল্প আৰু অন্যান্য অলংকাৰৰ সংযত প্ৰয়োগে তেওঁৰ ভাষাক অধিক সৌন্দৰ্যমণ্ডিত কৰি তুলিছে।

গ্ৰাম্য জীৱনৰ বাস্তৱ আৰু জীৱন্ত চিত্ৰ লীলা গগৈৰ গদ্যৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। অসমৰ গাঁও অঞ্চলৰ মানুহৰ দৈনন্দিন জীৱন, সুখ-দুখ, জীৱন সংগ্ৰাম, সামাজিক সম্পৰ্ক, কৃষিভিত্তিক জীৱনধাৰা, উৎসৱ-পাৰ্বণ আৰু মানসিক জগতৰ ছবি তেওঁ অতি নিপুণতাৰে অংকন কৰিছে। তেওঁৰ বৰ্ণনাত গাঁৱৰ সউজীয়া পৰিবেশ, নদ-নদী, খেতি-পথাৰ, গৃহস্থ জীৱন আৰু জনসাধাৰণৰ জীৱনধাৰা সজীৱ হৈ উঠিছে। তেওঁ গ্ৰাম্য জীৱনক বাস্তৱ দৃষ্টিভংগীৰে উপস্থাপন কৰিছে।

লীলা গগৈৰ গদ্যত মানৱীয় অনুভূতিৰ গভীৰ প্ৰকাশ পৰিলক্ষিত হয়। মানুহৰ সুখ-দুখ, মৰম-ভালপোৱা, বেদনাবোধ, জীৱনসংগ্ৰাম আৰু সামাজিক সম্পৰ্কৰ বাস্তৱ ছবি তেওঁ আন্তৰিকতাৰে উপস্থাপন কৰিছে। সেয়ে তেওঁৰ ৰচনাত মানুহৰ অন্তৰ্জগতৰ সূক্ষ্ম অনুভূতিসমূহ অত্যন্ত সংবেদনশীলভাৱে প্ৰকাশ পোৱা দেখা যায়। এই মানৱীয় আবেদনেই তেওঁৰ গদ্যক অধিক হৃদয়স্পৰ্শী কৰি তুলিছে। তাৰোপৰি লীলা গগৈৰ গদ্যত সমাজচেতনা সুস্পষ্টভাৱে প্ৰকাশ পায়। য'ত সমাজৰ দোষ-ত্ৰুটি যুক্তিনিষ্ঠ আৰু সংযত ভাষাৰে ব্যক্ত কৰিছে। তেওঁৰ গদ্যত এজন সচেতন নাগৰিক আৰু দায়িত্বশীল সাহিত্যিকৰ মনোভাৱ স্পষ্টভাৱে প্ৰতিফলিত হয়।

সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় যে লীলা গগৈৰ গদ্যশৈলী প্ৰাঞ্জলতা, লোকজীৱনৰ নিবিড় চিত্ৰণ, সমাজচেতনা, হাস্য-ব্যংগ উপস্থাপন, ভাষাৰ মাধুৰ্য আৰু সাংস্কৃতিক সচেতনতাৰ এক অপূৰ্ব সমন্বয়। তেওঁৰ গদ্যত অসমৰ মাটি, মানুহ, সংস্কৃতি আৰু জীৱনৰ স্পন্দন অনুভৱ কৰা যায়। তেওঁৰ গদ্য সাহিত্যই অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰাৰ লগতে জাতীয় জীৱনৰ বিভিন্ন দিশ সংৰক্ষণ আৰু প্ৰতিফলিত কৰাত অমূল্য অৱদান আগবঢ়াইছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ : লীলা গগৈৰ গদ্যৰ মুখ্য বৈশিষ্ট্য কি?

.....
.....

প্ৰশ্ন নং ৪ : তেওঁৰ গদ্যক হৃদয়স্পৰ্শী কৰি তোলা উপাদানবোৰ কি?

....
.....
.....

2 ৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়বোৰ পৰা আপোনালোকে অসমীয়া সাহিত্য-সংস্কৃতিৰ একান্ত সাধক লীলা গগৈৰ জীৱন আৰু কৃতি সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলে। লীলা গগৈৰ জীৱন, শিক্ষা আৰু কৰ্মজীৱন সম্পৰ্কে জ্ঞান লাভ কৰিলে।

- অসমীয়া সাহিত্য, সংস্কৃতি আৰু বুৰঞ্জী চৰ্চালৈ লীলা গগৈৰ অৱদানৰ বিষয়ে জানিলে। তেওঁৰ প্ৰধান গ্ৰন্থসমূহ আৰু সাহিত্যচৰ্চাৰ বিভিন্ন দিশৰ বিষয়ে জানিব পাৰিলে।
- লগতে লীলা গগৈৰ গদ্যশলীৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিলে। অসমীয়া লোকসংস্কৃতি, পৰম্পৰা, ৰীতি-নীতি আৰু গ্ৰাম্য জীৱনৰ প্ৰতফিলন তেওঁৰ ৰচনাত কনেদেৰে প্ৰকাশ পাইছে সেয়া জানিব পাৰিলে। তেওঁৰ সহজ-সৰল ভাষা, জতুৰা ঠাঁচ আৰু প্ৰবাদ-প্ৰবচন অর্থাৎ আংগিকৰ প্ৰয়োগ উল্লেখযোগ্য।

৬.৬ অধিক জানিবলৈ

কোঁৱৰ, অপৰ্ণা (সম্পা) (২০১৬); *আধুনকি অসমীয়া গদ্যশলৈী;* বনলতা।

গগৈ, লীলা; (২০২১); অসমীয়া সংস্কৃতি; বনলতা।

ভূঞা, স্মৃতৰিখো (২০১০); *অসমীয়া গদ্যৰীতি 'জোনাকী'ৰ পৰা 'ৰামধনু'লৈ;* বৃষ্টি প্ৰকাশক।

শৰ্মা, মদন (সম্পা) (২০১৯); *অসমীয়া গদ্য: আধুনকি যুগ (১৯৪৫-২০০০);* সাহিত্য অকাদমেী।

শৰ্মা, সত্যনেদ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতৰিৃত্ত;* সৌমাৰ প্ৰকাশ।

শৰ্মাদলৈ, হৰনিাথ; (২০১৫); *সাহিত্য-প্ৰৰশে;* পদ্মপ্ৰয়িা লাইব্ৰৰেী।

শৰ্মা, হমেন্তকুমাৰ (২০১৩); *অসমীয়া সাহিত্যত দৃষ্টপিাত;* বীণা লাইব্ৰৰেী।

৬.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ : অসমৰ সংস্কৃতি শীর্ষক গ্ৰন্থখনৰ বাবে।

২ নং প্ৰশ্নৰ উত্তৰ : ১৯৮৬ চনৰ পৰা অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক হিচাপে তিনি বছৰ কাল কার্যনির্বাহ কৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ : সহজ ভাষা, লোকজীৱনৰ বর্ণনা, সমাজচেতনা আৰু হাস্য-ব্যংগ।

৪ নং প্ৰশ্নৰ উত্তৰ : মানৰীয় অনুভূতিৰ গভীৰ প্ৰকাশ।

৬.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন

প্ৰশ্ন ১ : তলত দিয়া প্ৰসমূহৰ উত্তৰ লিখক

ক) লীলা গগৈৰ গদ্যত কোনবোৰ দিশৰ প্ৰতিফলন স্পষ্ট ভাৱে দেখা যায়?

খ) লীলা গগৈয়ে কেতিয়া কি গ্ৰন্থৰ বাবে ডক্টৰেট উপাধি লাভ কৰিছিল?

গ) লীলা গগৈৰ গদ্যত মানৰীয় অনুভূতিৰ কেনেদৰে প্ৰকাশ পাইছে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : লীলা গগৈৰ জীৱন আৰু সাহিত্য-কৃতি সম্পৰ্কে বহলাই আলোচনা কৰা।

প্ৰশ্ন ২ : লীলা গগৈয়ে অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানসমূহ আলোচনা কৰা

প্ৰশ্ন ৩ : "লীলা গগৈ কেৱল এজন গদ্যকাৰ নহয়, তেওঁ অসমীয়া সমাজ-সংস্কৃতিৰ এক বিশ্বস্ত ভাষ্যকাৰ।" — উক্তিটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : লীলা গগৈৰ গদ্যত লোকজীৱন আৰু লোকসংস্কৃতিৰ প্ৰতিফলন কেনেদৰে ঘটিছে? আলোচনা কৰা।

প্ৰশ্ন ২ : লীলা গগৈৰ গদ্যত ভাষাৰ ব্যৱহাৰ, শব্দচয়ন আৰু বাক্যগঠনৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।